**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————

জাগীৰোডৰ জোনবিলৰ পাৰত কালিৰে পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। কালি পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে এই মেলা আৰম্ভ হয়। গোভা ৰজা দীপসিং দেওৰজাই বন্তি প্ৰজ্বলনেৰে মেলাৰ শুভাৰম্ভ কৰে। মেলাথলীত সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা আৰু দীপসিং দেওৰজাৰ লগতে মধ্য অসমৰ ২১ গৰাকী তিৱা ৰজাই শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে মেলাৰ বৰঘৰ, ডেকাচাং, চাংঘৰ আদি পৰম্পৰাগত গৃহ মুকলি কৰে। পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিছে। আজি কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হয়। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিছে। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

oooooo

ব্যাপক পথ সজাগতা অভিযানৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ জিলাত পূৰ্বৰ তুলনাত বৰ্তমান পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাইছে। জিলা পৰিবহণ বিষয়া হীৰক জ্যোতি ডেকাই এই সন্দৰ্ভত তথ্য সদৰি কৰি কয়, যে জিলাখনত বিদ্যালয়-মহাবিদ্যালয়সমূহত নিয়মিতভাৱে পথ সুৰক্ষা সজাগতা অভিযান চলোৱাৰ লগতে পথ সুৰক্ষা ৰেলী আয়োজন কৰি অহা হৈছে। ইয়াৰ লগতে চালকসকলৰ বাবে বিনামূলীয়া চকু পৰীক্ষা শিবিৰ আদিৰো আয়োজন কৰি অহা হৈছে।

*(বাইট ঃ হীৰক জ্যোতি ডেকা)*

ইয়াৰ উপৰি পৰিবহণ বিভাগৰ ৫৫ টা বিভিন্ন সেৱা অনলাইন যোগে সাধাৰণ ৰাইজৰ বাবে মুকলি কৰি দিয়া হৈছে বুলি পৰিবহণ বিষয়াগৰাকীয়ে কয়। এই সেৱাসমূহ WWW.PORIBAHAN.GOV.IN ৱেবছাইট যোগে উপলব্ধ হ'ব।

oooooo

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচ-কাৱাজৰ অনুশীলন কৰি থকা হৈছে। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰাৰ কথা । ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

oooooo

আগন্তুক গণৰাজ্য দিৱস উপলক্ষে শিৱসাগৰ জিলাত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যসূচী, পেৰেড আৰু ৰাজহুৱা সমাৰেশস্থলীৰ পৰা দুই কিলোমিটাৰ পৰিসীমাৰ ভিতৰত ড্ৰোণৰ উৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। ড্ৰোণৰ উপৰিও পেৰাগ্লাইডাৰ, হট এয়াৰ বেলুন আদিৰো উৰণ বা ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। ২৫ আৰু ২৬ জানুৱাৰীত জিলাখনত এই নিৰ্দেশনা বাহাল থাকিব। অৱশ্যে প্ৰশাসন আৰু চৰকাৰৰ অনুমোদিত সুৰক্ষা সংস্থাসমূহৰ চৰকাৰী কামকাজৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ কাৰেং চাপৰিত অহা ২৬ৰ পৰা ৩০ জানুৱাৰীলৈ দশম মিচিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ বাবে ৬০০ বিঘা ভূমি সামৰি প্ৰস্তুতি প্ৰায় অন্তিম পৰ্য্যায়ত উপনীত হৈছে। মহোৎসৱৰ অন্তিম দিনাৰ কাৰ্য্যসূচীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। এই মহোৎসৱত প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

২৫ জানুৱাৰীত উদযাপন হ'বলগীয়া হোজাই জিলা দিৱসৰ সৈতে সংগতি ৰাখি কালি ডবকাত ড্ৰাগছ্ বৰ্জনৰ সম্পৰ্কে এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। হাজী আনফৰা আলী মহাবিদ্যালয়ত অনুষ্ঠিত সভাখনত জিলা আয়ুক্ত বনি ইনাম ছাদাব আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম বৰদলৈ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগছৰ ভয়াৱহতাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানটোত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০

যোৰহাট জিলাৰ তিতাবৰৰ ডফলাটিং বালিজানত যোৱা নিশা এখন ট্ৰাকে দুজন মটৰচাইকেল আৰোহীৰ লগতে অন্য এজন লোকক মহতিয়াই নিয়াৰ ফলত থিতাতে মৃত্যু হয় আৰু অন্য দুজন গুৰুতৰভাৱে আহত হয়। আহত লোক দুজনক যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ইয়াৰে এজনৰ অৱস্থা সংকটজনক বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। ইতিমধ্যে আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

**সমাপ্ত**